**অসম বিধান সভা**
**লিখিত প্ৰশ্ন নং : ২২**

**উত্তৰ দিয়াৰ তাৰিখ : ০৬-০৭-২০২৬**

বিষয় : শ্ৰমিকসকলৰ দৈনিক মজুৰি সম্পৰ্কে

বিধায়কৰ নাম : শ্ৰীভূপেন ৰয় :

**প্ৰশ্ন**

মাননীয় শ্ৰম কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত কিমান পঞ্জীয়নভূক্ত শ্ৰমিক আছে ? (জিলা ভিত্তিক তথ্য দিব) ।

(খ) শ্ৰমিক সকলৰ বাবে দৈনিক মজুৰি কিমান টকাকৈ নিৰ্ধাৰণ কৰা হৈছে ?

(গ) শ্ৰমিক সকলক নিজ ৰাজ্যত নিয়োজিত হ'ব পৰাকৈ কিবা ব্যৱস্থা বা আঁচনি আছে নেকি? যদি আছে আঁচনি অনুসৰি কিমান শ্ৰমিকক সামৰি ল'ব পাৰি সবিশেষ জনাব ।

(ঘ) অসমৰ পৰা বহু শ্ৰমিকে কৰ্মৰ সন্ধানত বহিঃৰাজ্যলৈ গমন কৰে । ক'ভিড-১৯ৰ সময়ত বহিঃৰাজ্যলৈ গমন কৰা শ্ৰমিকৰ সংখ্যা উলিয়াবলৈ নাম পঞ্জীয়নৰ ব্যৱস্থা কৰা হৈছিল । অসমৰ কোন জিলাৰ পৰা কিমান শ্ৰমিকে বহিঃৰাজ্যৰ ক'ত কাম কৰি আছে ?

(ঙ) বহিঃৰাজ্যত কৰ্মৰত কিমান শ্ৰমিক আততায়ীৰ আক্ৰমণত মৃত্যু হৈছে ? কিমানৰ মৃতদেহ গৃহ ৰাজ্যলৈ চৰকাৰী খৰছত অনা হ'ল ?

**উত্তৰ**

**শ্ৰম কল্যাণ বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী ৰামেশ্বৰ তেলী মহোদয়ে উত্তৰ দিব**

**(ক)** অসমত ৭৮,৭৩,৬৫৮ পঞ্জীয়নভূক্ত শ্ৰমিক আছে । **(**eShram Portal ত উপলবদ্ধ অসমৰ জিলাভিত্তিক পঞ্জীয়নভূক্ত শ্ৰমিকৰ সংখ্যা পৰিশিষ্টত দিয়া হ'ল)

(খ) Scheduled Employment শ্ৰমিক সকলৰ বাবে দৈনিক মজুৰি

- কাৰিকৰী ভাৱে অক্ষম/ অদক্ষ শ্ৰমিক : ৪০৫.৫২
- সাধাৰণ ভাৱে দক্ষ : ৪৭১.৪৪
- কাৰিকৰী ভাৱে দক্ষ শ্ৰমিক/ কেৰাণী শ্ৰমিক/ : ৫৮৯.৩৪
- কাৰিকৰী ভাৱে অতি দক্ষ শ্ৰমিক/ : ৭৫৮.০৮

ঠিকাদাৰৰ দ্বাৰা নিয়োজিত শ্ৰমিক সকলৰ বাবে দৈনিক মজুৰি

- কাৰিকৰী ভাৱে অক্ষম/ অদক্ষ শ্ৰমিক : ৩৯৫.০০
- সাধাৰণ ভাৱে দক্ষ : ৪৫৮.০০
- কাৰিকৰী ভাৱে দক্ষ শ্ৰমিক/ কেৰাণী শ্ৰমিক/ : ৫৫৩.০০
- কাৰিকৰী ভাৱে দক্ষ শ্ৰমিক/ নন আইটিআই : ৫৮৫.০০
- কাৰিকৰী ভাৱে অতি দক্ষ শ্ৰমিক/ : ৭২৭.০০

(গ) শ্ৰম কল্যাণ বিভাগৰ অধীনত শ্ৰমিকসকলক নিজ ৰাজ্যত নিয়োজিত হ'ব পৰাকৈ কোনো বিশেষ ব্যৱস্থা বা আঁচনি নাই ।

(ঘ) শ্ৰম কল্যাণ বিভাগৰ হাতত এই সংক্ৰান্তত কোনো তথ্য উপলব্ধ নহয় ।

(ঙ) আততায়ীৰ আক্ৰমণত মৃত্যুবৰণ কৰা বহিঃৰাজ্যত কৰ্মৰত শ্ৰমিকৰ কোনো তথ্য এই বিভাগত উপলব্ধ নহয় ।

গৃহ আৰু ৰাজনৈতিক বিভাগৰ তথ্য মতে, ০১ অক্টোবৰ, ২০২৫ চনৰ পৰা আৰম্ভ কৰা "শ্ৰদ্ধাঞ্জলি আঁচনি" ৰ অধীনত ১ জুলাই, ২০২৬ তাৰিখলৈকে বহিঃৰাজ্যত কৰ্মৰত ৩৫৪ জন বিভিন্ন ৰোগ আৰু পথ দুৰ্ঘটনাত পতিত শ্ৰমিক আৰু অধ্যয়নৰত ছাত্ৰৰ মৃতদেহ গৃহ ৰাজ্যলৈ চৰকাৰী খৰছত অনা হৈছে ।

(প্ৰশ্নোত্তৰ ৱেবচাইট cms.neva.gov.in ত আপলোড কৰা হৈছে)

*******

# <u>পৰিশিষ্ট</u>

| ক্ৰমিক নং | জিলা | পঞ্জীয়নভূক্ত শ্ৰমিকৰ সংখ্যা |
|---|---|---|
| ১ | বজালী | ১৪,৫৩২ |
| ২ | বাক্সা | ২,৬৬,০৭৪ |
| ৩ | বৰপেটা | ৫,৪৭,১০৪ |
| ৪ | বিশ্বনাথ | ১,৪৪,৪৩৫ |
| ৫ | বঙাইগাঁও | ২,০৯,৬৭৪ |
| ৬ | কাছাৰ | ৪,৩৯,৫৬২ |
| ৭ | চৰাইদেউ | ৮৫,৭৬৯ |
| ৮ | চিৰাং | ১,০৭,৯৪৪ |
| ৯ | দৰং | ৩,২০,৬৪৭ |
| ১০ | ধেমাজি | ১,৫৫,৬৭৫ |
| ১১ | ধুবুৰী | ৪,৬৫,৫৯২ |
| ১২ | ডিব্ৰুগড় | ২,৮০,২৩৭ |
| ১৩ | ডিমাহাচাও | ২০,৮২৯ |
| ১৪ | গোৱালপাৰা | ২,৮০,৭২৭ |
| ১৫ | গোলাঘাট | ২,৬৭,১৩৯ |
| ১৬ | হাইলাকান্দি | ১,৭২,৯১৭ |
| ১৭ | হোজাই | ২,৭৮,১২৩ |
| ১৮ | যোৰহাট | ২,০৯,৩২৬ |
| ১৯ | কামৰূপ | ৩,৯৪,০৪৯ |
| ২০ | কামৰূপ মহানগৰ | ২,২৬,২৮০ |
| ২১ | কাৰ্বি আংলং | ১,০৩,৮৫৫ |
| ২২ | কোকৰাঝাৰ | ১,৯৮,৪১০ |
| ২৩ | লখিমপুৰ | ২,৭১,৪২৩ |
| ২৪ | মাজুলী | ৪৪,৫৬৪ |
| ২৫ | মৰিগাঁও | ২,৯৭,৪১০ |
| ২৬ | নগাঁও | ৫,৪৮,৪২২ |
| ২৭ | নলবাৰী | ২,০৯,৪৮৯ |
| ২৮ | শিৱসাগৰ | ১,৬৬,৫৫১ |
| ২৯ | শোনিতপুৰ | ২,৫৯,৮০৭ |
| ৩০ | দক্ষিণ শালমাৰা-মানকাচাৰ | ১,৩৩,১২৫ |
| ৩১ | শ্ৰীভুমি | ৩,১৪,৬৫১ |
| ৩২ | তামুলপুৰ | ৪,৯৬৯ |
| ৩৩ | তিনিচুকীয়া | ২,২৮,৫৮০ |
| ৩৪ | ওদালগুৰি | ১,৬৬,২০৬ |
| ৩৫ | পশ্চিম কাৰ্বি আংলং | ৩৯,৫৬১ |
| **মুঠ** | | **৭৮,৭৩,৬৫৮** |

***